DLIECN

# HALF YEARLY EXAMINATION, 2023

## Subject : ASSAMESE (MIL)

## Class - X

*Full Marks : 100* *Time : 3 Hours*

*The figures in the margin indicate full marks for the questions.*

*(ছাত্ৰ-ছাত্ৰীসকলে 'ক' বিভাগ আৰু 'খ' অথবা 'গ' বিভাগৰ উত্তৰ কৰিব লাগিব।)*

### 'ক' বিভাগ

মূল্যাংক ঃ 75

1. তলৰ যিকোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা ঃ- 1×2=2

ক) এজন উদ্যোগী আৰু কৰ্মহীন নিবনুৱাৰ মাজত থকা ক্ষুদ্ৰ ব্যৱধান কি?

খ) সুকুমাৰ কলাৰ ভিতৰত কোনটো শিল্পক বেছি স্থায়ী বোলা হৈছে?

গ) নাৰায়ন মূৰ্ত্তী কোন?

2. তলৰ যিকোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা ঃ- 1×2=2

ক) কুঁৱলীৰ অন্তৰংগ বান্ধৱী গৰাকীৰ নাম কি?

খ) অৰুণিমা সিন্‌হাৰ কোনবিধ খেলত বিশেষ দক্ষতা আছিল?

গ) কোনে কুঁৱলীৰ কম্পিউটাৰটোত 'এণ্টিভাইৰাচ চফ্‌টৱেৰ' অন্তৰ্ভুক্ত কৰিছিল?

3. তলত যিকোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা ঃ- 1

ক) পল আৰু পাহি কোন কোন শ্ৰেণীত পৰে?

খ) 'চাহেবপুৰাৰ বৰষুণ' নামৰ উপন্যাসখন কাৰ ৰচনা?

4. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ- 2×3=6

ক) বিজিতে ছাৰক উদ্যোগী সম্পৰ্কে কি কৈছিল?

খ) অজন্তাৰ ছবিবোৰত প্ৰকাশ পোৱা ভাৱবস্তু দুটা কি কি?

গ) সফল উদ্যোগী হ'বলৈ কিয় কঠিন?

ঘ) উত্তৰ ভাৰতীয় ভাস্কৰ্যৰ বিশেষত্ব কি চমুকৈ লিখা।

5. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ- 2×3=6

ক) ইণ্টাৰনেটৰ সহায়ত কুঁৱলীয়ে কি কি নতুন অভিজ্ঞতা আহৰণ কৰিলে?

খ) "এয়া মায়ে মোক মৰমেৰে দিয়া আশীৰ্বাদ।" – কি প্ৰসংগত কিহৰ কথা কোনে কাক এনেদৰে কৈছিল?

গ) কুঁৱলীয়ে কিদৰে মাক-দেউতাকৰ সমস্যাৰ নিমিত্তে সমাধান কৰিছিল?

ঘ) ক্ৰিকেট খেলুৱৈ যুৱৰাজ সিঙে অৰুণিমা সিন্‌হাক কেনেদৰে অনুপ্ৰাণিত কৰিছিল?

6. তলৰ যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ- 2

ক) প্ৰকৃতিৰ কোনবোৰ সুন্দৰ নিয়মে পাহিক আকৃষ্ট কৰে?

খ) নিগনা চিকাৰীৰ প্ৰকৃত নাম কি? তেওঁ কাক প্ৰথমে কাজিৰঙাৰ গড় দেখুৱাইছিল? (সিপিঠিত)

7. "কামত ল'ৰা-ছোৱালী বুলি ভাগ নাই। যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা।" — কথাষাৰৰ বক্তা কোন? তেওঁ কিয় এই কথাষাৰ ক'বলগীয়া হৈছিল আঁতিগুৰি মাৰি লিখা। 3

8. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ- 4

ক) ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগী হিচাপে মানসিকভাৱে প্ৰস্তুত কৰি ৰাখিবলৈ কি কি কৰিব পৰা যায়?

খ) "ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু।" — কথাষাৰ কিমানদূৰ যুক্তিপূৰ্ণ, পাঠৰ আধাৰত বিচাৰ কৰা।

9. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ- 4

ক) ইণ্টাৰনেটৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ জীৱনত কেনে প্ৰভাৱ পেলাব পাৰে পাঠটোৰ আধাৰত বুজাই লিখা।

খ) "প্ৰচণ্ড পৰিশ্ৰম, অদম্য মনোবল আৰু কষ্টসহিষ্ণুতাৰ ফল অৱশেষত ফলিল"। — কথাষাৰ কি প্ৰসংগত উল্লেখ কৰা হৈছে পাঠৰ সহায়ত বুজাই লিখা।

10. তলৰ যিকোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা ঃ- 1

ক) "নামঘোষা"ক অন্য কি নামেৰে জনা যায়?

খ) আজান ফকিৰৰ আচল নাম কি আছিল?

11. তলৰ যিকোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা ঃ- 1

ক) ৰঘুনাথ চৌধাৰীৰ এখন কবিতা পুথিৰ নাম লিখা।

খ) মন্দিৰৰ উপেক্ষিত কি ফুলে প্ৰেম-পৰিমল যঁচা বুলি কবিয়ে কৈছে?

12. উঠে তৰু শিৰে শিৰে বন-বিহঙ্গৰ 3

ছন্দভৰা সুমধুৰ তান —

জল স্থল অন্তৰীক্ষ সকলোতে যেন

দেৱতাৰ মহা অভিযান।

— অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

13. তলৰ যিকোনো এছোৱা ব্যাখ্যা কৰা ঃ- 4

ক) আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।।

খ) পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত।
খোদা ৰছুল লুকাই আছে, মোমিনৰ আঁৰত।।

14. তলৰ যিকোনো এটা কবিতাৰ মূলভাৱ লিখা ঃ- 4

ক) বৰগীত খ) জিকিৰ

15. তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা ঃ- 2×5=10

ক) তলৰ যিকোনো দুটাৰ ব্যাস বাক্য সহ সমাসৰ নাম লিখা ঃ-

দোমাহী, ৰামৰাৱন, উপবন

খ) তলৰ যিকোনো দুটা শব্দৰ সন্ধি ভাঙা ঃ-

অন্বেষণ, ইত্যাদি, পুৰুষাৰ্থ

গ) তলৰ যিকোনো দুটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা ঃ-

ঋণ, ভূমিষ্ঠ, প্ৰণাম

ঘ) তলৰ যিকোনো দুটা শব্দত কি প্ৰত্যয় লগ লাগিছে ভাঙি দেখুওৱা ঃ-

স্বদেশী, ভাৰৰীয়া, দয়ালু

ঙ) তলৰ যিকোনো দুটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা ঃ-

গহীন, দোষ, এলেহুৱা

চ) তলৰ যিকোনো দুটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা ঃ-

কাণ সৰালি মাৰ, ডলাৰ বগৰী, পানীৰ তলৰ কাঁইট

16. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া ঃ- 4

ক) ভাব সম্প্ৰসাৰণ কৰা ঃ-

যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

খ) তোমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক খেল-ধেমালিৰ অধিক সা-সুবিধা কৰি দিবলৈ তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি ছাত্ৰ একতা সভাৰ সম্পাদক / সম্পাদিকা হিচাপে এখন আবেদন লিখা। (আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

গ) তুমি বাস কৰা অঞ্চলত বিদ্যুতৰ নাটনি দেখুৱাই বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় বাতৰি কাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন যুগুত কৰা।

17. তলত দিয়া যিকোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা ঃ- 8

ক) অসমৰ কুটীৰ শিল্প

(আৰম্ভণি — অসমৰ কুটীৰ শিল্প সমূহ — উন্নয়নৰ উপায় — সামৰণি)

খ) তোমাৰ জীৱনৰ লক্ষ্য

(আৰম্ভণি — লক্ষ্য বাচি লোৱাৰ মূল কাৰণ — লক্ষ্যত উপনীত হোৱাৰ উপায় — সামৰণি)

গ) পুথিভঁৰাল

(আৰম্ভণি — বিভিন্ন প্ৰকাৰ — আৱশ্যকতা — সামৰণি)

18. "বৈচিত্ৰ্যময় অসম" নামৰ দ্ৰুত পাঠত তোমাৰ পাঠ্যক্ৰমত সন্নিবিষ্ট অসমৰ যিকোনো দুটা জনগোষ্ঠীয় উৎসৱ-পাৰ্বন সম্পৰ্কে চমুকৈ লিখা। 2×2=4

19. 'বৈচিত্ৰ্যময় অসম" নামৰ দ্ৰুত পাঠত তোমাৰ পাঠ্যক্ৰমত সন্নিবিষ্ট অসমৰ যিকোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমুটোকা লিখা। 3×2=6

## 'খ' বিভাগ

মূল্যাংক - 25

20. তলৰ যিকোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা ঃ- 1×2=2

ক) মৌৰ্য বংশীয় ৰজা চন্দ্ৰ গুপ্তৰ ব্ৰাহ্মণ মন্ত্ৰীজনৰ নাম কি আছিল?

খ) আৰ্য শিক্ষাৰ মূলমন্ত্ৰ কি?

গ) নালন্দা বিশ্ববিদ্যালয়ৰ বিখ্যাত পুথিভঁৰালটোৰ নাম কি আছিল?

(সিপিঠিত)

21. চমু উত্তৰ লিখা ঃ- 2×2=4

ক) উদান্তপুৰী বিশ্ববিদ্যালয়ৰ কি সম্পদ কোনে, কেতিয়া ধ্বংস কৰিছিল?

খ) নালন্দা বিশ্ববিদ্যালয়ত কি কি বিষয়ৰ শিক্ষা দিয়া হৈছিল?

22. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ- 4

ক) আৰ্য শিক্ষাৰ কলাবিদ্যা কিমানটা? প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয় সমূহত আৰ্য শিক্ষাৰ কলাবিদ্যাৰ শিক্ষা কোন কোন বিভাগত দিয়াৰ ব্যৱস্থা আছিল?

খ) তক্ষশীলা বিশ্ববিদ্যালয়ৰ বিষয়ে এটি টোকা লিখা।

23. তলৰ যিকোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা — 1

ক) অম্বিকাগিৰী ৰায়চৌধুৰী অসম সাহিত্য সভাৰ কোনখন অধিৱেশনৰ সভাপতি আছিল?

খ) সাতামপুৰুষীয়া 'সোণৰ চোতাল ঘৰ' কিহেৰে পোত খাই আছে বুলি কবিয়ে কৈছে?

24. চমু উত্তৰ লিখা ঃ- 2×2=4

ক) অম্বিকাগিৰী ৰায়চৌধুৰীৰ দুখন কবিতা পুথিৰ নাম লিখা।

খ) 'হ'ল এৰে তোৰ সময় হ'বৰ
জাতিৰ ঝাডুদাৰ যে ভাই।'

— ইয়াত কবিয়ে কি কাৰণে 'জাতিৰ ঝাডুদাৰ' হোৱাৰ সময় হ'লহি বুলি সকীয়াই দিছে?

25. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ- 3

ক) 'চাই থাকোঁতে মুখত কেৱল
ভৰিল কাজ-ছাই।'

— 'কাজল-ছাই' মানে কি? কবিয়ে কি প্ৰসংগত কবিতাটোত ইয়াক ব্যৱহাৰ কৰিছে বুজাই লিখা।

খ) 'ধৰ ঝাডু ধৰ ভাই' — কবিতাটোৰ মাজেৰে কবি ৰায়চৌধুৰীদেৱৰ স্বদেশপ্ৰেমৰ ভাৱ কিদৰে প্ৰকাশ পাইছে লিখা।

26. তলৰ যিকোনো দুটা বাক্য শুদ্ধকৈ লিখা ঃ- 1×2=2

ক) তুমি কালি যেনেতেনে যাবা।

খ) ভাৰতবৰ্ষ এখন গণতন্ত্ৰ দেশ।

গ) তোমাৰ দেউতা ঘৰত আছেনে?

27. 'হ'বলা' অনুসৰ্গ ব্যৱহাৰ কৰি এটি বাক্য লিখা। 1

28. উপসৰ্গ কাক বোলে। 'অপ' আৰু 'সম' উপসৰ্গ ব্যৱহাৰ কৰি একোটাকৈ শব্দ লিখা। 2

29. তলৰ যিকোনো দুটা শব্দৰ একোটাকৈ সমাৰ্থক শব্দ লিখা ঃ- 2

ইচ্ছা, কুসুম, প্ৰভাত